জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ২২৯/২০২০

# অসম চাহ মজদুৰ সংঘৰ সৈতে মুখ্যমন্ত্ৰীৰ বৈঠক

## চাহ উদ্যোগক গতিশীল কৰাৰ বাবে ৰাজ্য চৰকাৰে লোৱা পদক্ষেপৰ প্ৰশংসা কৰিলে অসম চাহ মজদুৰ সংঘই

### অসমৰ অৰ্থনৈতিক উত্তৰণৰ ক্ষেত্ৰত চাহ উদ্যোগৰ ভূমিকা অতিশয় গুৰুত্বপূৰ্ণ ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ১ মে'ঃ** আজি ডিব্ৰুগড়ত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ সৈতে অসম চাহ মজদুৰ সংঘৰ এক বৈঠক অনুষ্ঠিত হয়। মুখ্যমন্ত্ৰীৰ লক্ষ্মী নগৰস্থিত বাসভৱনত অনুষ্ঠিত এই বৈঠকত ক'ভিড-১৯ ৰ ফলত চাহ উদ্যোগলৈ আহি পৰা প্ৰত্যাহ্বান আৰু এই সম্পৰ্কত লোৱা ব্যৱস্থাৰাজী সম্পৰ্কে বিতংভাৱে আলোচনা কৰা হয়।

বৈঠকত মুখ্যমন্ত্ৰী সোণোৱালে কয় যে অসমৰ অৰ্থনৈতিক উত্তৰণৰ ক্ষেত্ৰত চাহ উদ্যোগৰ ভূমিকা অতিশয় গুৰুত্বপূৰ্ণ। সেইবাবে ৰাজ্য চৰকাৰে চাহ উদ্যোগৰ উন্নয়নৰ বাবে অগ্ৰাধিকাৰ ভিত্তিত পদক্ষেপ গ্ৰহণ কৰি আহিছে। কৰ'ণা ভাইৰাছৰ সংক্ৰমণৰ ফলত চাহ উদ্যোগলৈ প্ৰত্যাহ্বান নামি আহিছে যদিও এই প্ৰত্যাহ্বান মোকাবিলা কৰিবলৈ অসম চৰকাৰ সম্পূৰ্ণৰূপে প্ৰস্তুত। এই কথা উল্লেখ কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে স্বাস্থ্য বিভাগৰ নীতি-নিৰ্দেশনাৰ আধাৰত ইতিমধ্যে চাহ বাগিচাসমূহত কাম-কাজ আৰম্ভ হৈছে। চাহ বাগিচাৰ শ্ৰমিকসকলে সামাজিক দূৰত্ব বজাই ৰাখি কৰ্মত জড়িত হৈ থকা বাবে মুখ্যমন্ত্ৰীয়ে অসম চাহ মজদুৰ সংঘৰ জৰিয়তে ৰাজ্যৰ চাহ শ্ৰমিকসকলক ধন্যবাদ জ্ঞাপন কৰে। এই ক্ষেত্ৰত অসম চাহ মজদুৰ সংঘই আগবঢ়োৱা সহযোগিতাৰ বাবে মুখ্যমন্ত্ৰীয়ে সংঘৰ বিষয়ববীয়াসকলৰ শলাগ লয়।

মুখ্যমন্ত্ৰীয়ে কয় যে চাহ শ্ৰমিকসকলৰ মাজত ক'ভিড-১৯ সম্পৰ্কত জনসচেতনতা সৃষ্টিৰ ওপৰত ৰাজ্য চৰকাৰে সৰ্বাধিক গুৰুত্ব আৰোপ কৰিছে। তেওঁ নিজেও এই ক্ষেত্ৰত চাহ বাগিচাৰ চৰ্দাৰসকলৰ সৈতে টেলিফোনিক বাৰ্তালাপ কৰাৰ উপৰি চাহ বাগানলৈ গৈ স্বাস্থ্য বিভাগে দিয়া নীতি-নিৰ্দেশনা কেনেদৰে পালন কৰা হৈছে সেই বিষয়ে ব্যক্তিগতভাৱে পৰ্যবেক্ষণ কৰিছে। মুখ্যমন্ত্ৰীয়ে কয় যে আসাম কোম্পানী লিমিটেডৰ অধীনত থকা ১৪ খন বাগিচাৰ শ্ৰমিকসকলৰ লগতে সকলো চাহ বাগিচা তথা ক্ষুদ্ৰ চাহ বাগিচাসমূহৰ শ্ৰমিকসকলে যাতে লক ডাউনৰ সময়ছোৱাত কোনো ধৰণৰ অসুবিধাৰ সন্মুখীন হ'ব নালাগে তাৰ বাবে উপায়ুক্তসকলক ইতিমধ্যে নিৰ্দেশ দিয়া হৈছে। তেওঁ নিজেও উপায়ুক্তসকলৰ সৈতে হোৱা ক'ভিড-১৯ প্ৰতিৰোধ সম্পৰ্কীয় পৰ্যালোচনামূলক বৈঠকত প্ৰতিগৰাকী উপায়ুক্তকে এই সম্পৰ্কে নিৰ্দেশ দিছে বুলি কয়।

আলোচনাৰ সময়ত মুখ্যমন্ত্ৰীয়ে কয় যে লক ডাউনৰ সময়ছোৱাত চাহ উদ্যোগে সন্মুখীন হোৱা লোকচনাৰ প্ৰতি লক্ষ্য ৰাখি অসম চাহ কোম্পানী লিমিটেডে গেছ যোগান ধৰা ৰাজ্যৰ ৪০৯ খন চাহ বাগানৰ পৰা চুক্তি মৰ্মে লাভ কৰিবলগীয়া নূন্যতম চাহিদা নিৰিখ ৰেহাই দিবলৈ কোম্পানীটোক নিৰ্দেশ দিয়া হৈছে বুলি কয়। এই পদক্ষেপে চাহ উদ্যোগক বিশেষ সকাহ দিব বুলিও মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে।

বৈঠকত অসম চাহ মজদুৰ সংঘই আসাম কোম্পানী লিমিটেডৰ ১৪ খন বাগিচাৰ ৪০ হাজাৰ স্থায়ী আৰু অস্থায়ী শ্ৰমিকৰ বিষয়টো মুখ্যমন্ত্ৰীক অৱগত কৰে। সংঘই লক ডাউনৰ মাজতে অসমৰ চাহ উদ্যোগক গতিশীল কৰি তোলাৰ বাবে মুখ্যমন্ত্ৰীয়ে লোৱা পদক্ষেপৰ শলাগ লয়। আনহাতে ৪০৯ খন চাহ বাগানত অসম গেছ কোম্পানী লিমিটেডৰ পৰা গেছ ক্ৰয় কৰাৰ বিনিময়ত চুক্তি মৰ্মে আদায় দিবলগীয়া নূন্যতম চাহিদা নিৰিখ ৰেহাই দিবলৈ দিয়া নিৰ্দেশে এই সংকটৰ সময়ত চাহ উদ্যোগটোক বহু পৰিমাণে সকাহ প্ৰদান কৰিব বুলিও সংঘৰ বিষয়ববীয়াসকলে কয়। সংঘই মুখ্যমন্ত্ৰীক অৱগত কৰে যে পূৰ্বে চাহ বাগানৰ শ্ৰমিকসকলে মুকলি বজাৰৰ পৰা প্ৰয়োজনীয় ৰেচন ক্ৰয় কৰি অহাৰ বিপৰীতে যোৱা দুমাহে ভাৰতীয় খাদ্য নিগমৰ পৰা পোনপটীয়াকৈ তেওঁলোকে ৰেচন লাভ কৰি আহিছে। ভৱিষ্যতেও এই ব্যৱস্থা বাহাল ৰখাৰ ক্ষেত্ৰত যাৱতীয় পদক্ষেপ ল'বলৈ সংঘই মুখ্যমন্ত্ৰীক অনুৰোধ জনায়।

আনহাতে অসম চাহ মজদুৰ সংঘই মুখ্যমন্ত্ৰীৰ হাতত অসম আৰোগ্য নিধিলৈ ১ লাখ ২৫ হাজাৰ টকাৰ আৰ্থিক বৰঙণিৰ চেক্ প্ৰদান কৰে।

আজিৰ এই বৈঠকত বিধায়ক প্ৰশান্ত ফুকন, চক্ৰধৰ গগৈ, অসম চাহ মজদুৰ সংঘৰ সভাপতি পবন সিং ঘাটোৱাৰ, সাধাৰণ সম্পাদক ৰূপেশ গোৱালা, উপ-সভাপতি নবীন কেওঁট প্ৰমুখ্যে সংঘৰ অন্যান্য বিষয়ববীয়াসকল উপস্থিত আছিল।

**পুঃডেঃ / বীঃগঃ / সুঃমিঃক**
**১/৫/২০২০**